**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 16-02-2026

**Time :** 1715 Hrs.

***Assamese Evening Bulletin***
**HEADLINE**

০০০০০

১। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আজি অসম বিধান সভাৰ অধিবেশন আৰম্ভ।

২। অসম বিধানসভাৰ কেইবামহলীয়া নতুন সচিবালয় ভৱনটো আজি উদ্বোধন।

৩। তামুলপুৰত আয়োজিত অনুষ্ঠানত বাক্সা, ওদালগুৰি আৰু তামুলপুৰ জিলাৰ ৪ হাজাৰ ৮৬৮ গৰাকী সম্ভাব্য উদ্যোগীক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।

**আৰু**

৪। অসম লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল ঘোষণা।

০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আজি অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়। ৰাজ্যপাল শ্ৰীআচাৰ্যই নিজৰ ভাষণৰ আৰম্ভণিতে ভাগৱত গীতাৰ বাণী আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানৱতাবাদৰ আদৰ্শৰ কথা উল্লেখ কৰে। তেওঁ লগতে অসমৰ অৰ্থনৈতিক যাত্ৰাপথৰ বিষয়ে আলোকপাত কৰে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি ৰাজ্যপালগৰাকীয়ে আশা প্ৰকাশ কৰে।

**বাইট (ৰাজ্যপাল)**

বিধানসভাৰ অন্তিমখন বাজেট অধিবেশনৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তে কংগ্ৰেছ, এ আই ইউ ডি এফ, ৰাইজৰ দল, চি পি আই এমৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি শ্ল'গান দিয়াৰ লগতে প্লেকাৰ্ড প্ৰদৰ্শন কৰে। বিৰোধী সদস্যসকলে অধ্যক্ষৰ আসনৰ সন্মুখত বহি ৰাজ্যপালৰ ভাষণৰ প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্যপালৰ ভাষণৰ পাছতে অধ্যক্ষই দিনৰ ১২ বজালৈ বিধানসভাৰ কাম-কাজ স্থগিত ঘোষণা কৰে। ১২ বজাত সদন পুনৰ মিলিত হোৱাত বিত্তমন্ত্ৰী অজন্তা নেওগে বিত্ত বিভাগৰ দুখন ৰাজপত্ৰিত অধিসূচনাৰ লগতে ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধনী অধ্যাদেশ ২০২৬ আৰু মন্ত্ৰী যোগেন মহনে সমবায় বিভাগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। মন্ত্ৰী নন্দিতা গাৰ্লোছাই ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ২০২৩-২৪ বিত্তীয় বিভাগৰ প্ৰশাসনীয় প্ৰতিবেদন আৰু মন্ত্ৰী প্ৰশান্ত ফুকনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয়

প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন আৰু সমৰ্থন কৰা হয়। মন্ত্ৰী অজন্তা নেওগে আজি ২০২৫-২৬ বৰ্ষৰ মঞ্জুৰিৰ বাবে পৰিপূৰক দাবী আৰু বিনিয়োজনসমূহ উত্থাপন কৰে। ইয়াৰ পাছতে বিধানসভাৰ আজিৰ দিনটোৰ কাৰ্যক্ৰমণিকাৰ অন্ত পৰে।

উল্লেখযোগ্য যে চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত কাইলৈ ২০২৬-২৭ বৰ্ষৰ অন্তৰৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব।

ooooo

অসম বিধানসভাৰ কেইবামহলীয়া নতুন সচিবালয় ভৱনটো আজি উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই ভৱন উদ্বোধন কৰে। সচিবালয় ভৱনৰ লগতে ডিজিটেল সংগ্ৰহালয় আৰু কৃত্ৰিম বুদ্ধিমত্তাৰে পৰিচালিত অসম বিধানসভাৰ ডিজিটেল ব্যৱস্থা, আলিচা, এ আই ফৰ লেজিছলেটিভ ইণ্টেলিজেন্স ছিষ্টেম অৱ আছাম উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সন্তুষ্টি ব্যক্ত কৰে। বহুমহলীয়া অসম বিধানসভাৰ সচিবালয় ভৱনটোৱে বিধানসভাৰ কাৰ্যক্ৰমণিকা নিয়াৰিকৈ পৰিচালনা কৰাত অৰিহণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তদুপৰি অসম বিধানসভাৰ প্ৰায় ১০০ বছৰীয়া পৰিক্ৰমাৰ প্ৰতিখন আইন, সিদ্ধান্ত আদি এই সংগ্ৰহালয়ৰ পৰা আগ্ৰহীসকলে লাভ কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমীয়া, বড়ো, হিন্দী আৰু ইংৰাজী ভাষাত তথ্যসমূহ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু উপাধ্যক্ষ ডাঃ নোমল মমিনৰ লগতে আন কেইবাগৰাকী নেতা উপস্থিত থাকে।

ooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি তামুলপুৰ জিলাত আয়োজিত অনুষ্ঠানত বাক্সা, ওদালগুৰি আৰু তামুলপুৰ জিলাৰ সম্ভাব্য উদ্যোগীসকলক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। এই অনুষ্ঠানত তামুলপুৰ জিলাৰ এহেজাৰ ১৩১ গৰাকী, বাক্সা জিলাৰ এহেজাৰ ২৩৩ গৰাকী আৰু ওদালগুৰি জিলাৰ দুহেজাৰ ৪০৪ গৰাকী হিতাধিকাৰীকে ধৰি মুঠ ৪ হাজাৰ ৮৬৮ গৰাকী হিতাধিকাৰীক ধন বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত ধনৰাশি বিতৰণ কৰি দিয়া ভাষণত এই আঁচনিয়ে যুৱক-যুৱতীসকলক স্বাৱলম্বী কৰি তোলাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। এই অভিযানৰ জৰিয়তে ৰাজ্যৰ ৭৫ হাজাৰ যুৱক-যুৱতী উপকৃত হ'ব আৰু এতিয়ালৈকে ৪৮ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিছে বুলি প্ৰকাশ কৰে।

**বাইট (চি এম)**

এই অনুষ্ঠানত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু তামুলপুৰৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনৰ ৪ খন নৱনিৰ্মিত দলং মুকলি কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে সমাগত নিৰ্বাচনত বিটিচিৰ ১৫ খন আসনৰ ভিতৰত বিজেপিয়ে ৪ৰ পৰা ৬ খনত প্ৰতিদ্বন্দ্বিতা কৰিব

বুলি উল্লেখ কৰে। বাকী আসনসমূহৰ সন্দৰ্ভত বিপিএফ আৰু ইউ পি পি এল দলক আলোচনা কৰি ল'বলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

কাইলৈ ডিফুত কাৰ্বি আংলং, ডিমা হাচাও আৰু পশ্চিম কাৰ্বি আংলঙৰ মুঠ এহেজাৰ ৯৪৬ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে কাইলৈ ডিফুৰ কে এ এছ এ ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডং তুলিৰাম ৰংহাং আৰু মন্ত্ৰী নন্দিতা গাৰ্লোচাই অংশ ল'ব। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত কাৰ্বি আংলং জিলাৰ এহেজাৰ দুগৰাকী, ডিমা হাচাওৰ ৪৮৭ গৰাকী আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ৪৫৭ গৰাকী উদ্যোগীৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হ'ব।

ooooo

সমাগত ৰাজ্য বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহৰ মাজত নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি পাইছে। বিজেপিয়ে চলিত মাহতে মিত্ৰতা আৰু প্ৰাৰ্থী সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ল'ব বুলি প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২০ ফেব্ৰুৱাৰীত পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে অহা ১৮ ফেব্ৰুৱাৰীত কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী অসমলৈ আহিব। ইপিনে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও নেতা তথা সদস্যই দলীয় দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ লগতে আন দলতো যোগদান কৰা পৰিলক্ষিত হৈছে। অসম ৰাজ্যিক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ নেতা ভূপেন বৰাই আজি দলটোৰ পৰা পদত্যাগ কৰে। নিৰ্বাচনী প্ৰচাৰ সমিতিৰ অধ্যক্ষৰ পদত থকা শ্ৰীবৰাই ইতিমধ্যে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ শীৰ্ষ বিষয়ালৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে নেতাগৰাকীক পদত্যাগ পত্ৰ প্ৰত্যাহাৰৰ বাবে আহ্বান জনোৱা বুলি প্ৰকাশ কৰিছে। শীৰ্ষ কংগ্ৰেছ নেতা জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰা মতে নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে পদত্যাগ পত্ৰ গ্ৰহণ কৰা নাই। দলটোৰ বিধায়ক আব্দুল ৰচিদ মণ্ডলে আজি বিয়লি ৰাইজৰ দলত যোগদান কৰিব। কংগ্ৰেছৰ নিলম্বিত বিধায়ক শ্বেৰমান আলী আহমেদে কাইলৈ ৰাইজৰ দলত যোগদান কৰাৰ কথা।

ooooo

অসম লোকসেৱা আয়োগে আজি ৰাজ্য চৰকাৰৰ বিভিন্ন পদত নিযুক্তিৰ বাবে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা-২০২৪ৰ ফলাফলসমূহ ঘোষণা কৰিছে। এই পৰীক্ষাৰ সাক্ষাৎকাৰ আয়োগে চৰকাৰৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা বিশেষজ্ঞসকলৰ উপস্থিতিত অনুষ্ঠিত কৰে। এইবাৰ নিহাৰ ৰঞ্জন ডেকাই প্ৰথম স্থান লাভ কৰিছে। আয়োগে ৪৫ টা অসম অসামৰিক সেৱা, ২০ অসম আৰক্ষী সেৱা, ৫১ টা কৰ পৰিদৰ্শক, ৯ টা খণ্ড উন্নয়ন বিষয়াসহ ভিন্ন সেৱাৰ পদসমূহত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ বাছনি তালিকা আজি প্ৰকাশ কৰে। উল্লেখযোগ্য যে, প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাৰ পাছত যোৱা ২০ জানুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ মৌখিক সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল।

ooooo

সমাপ্ত